# 2017

## ASSAMESE

( Major )

Paper : 6.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) 'ৰাম নবমী' নাটকখন কোনে ৰচনা কৰিছিল ?

(খ) 'সীতাহৰণ' নাটখন কোন শ্ৰেণীৰ নাটক ?

(গ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা বুৰঞ্জীমূলক নাটকৰ সংখ্যা কিমান ?

(ঘ) হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা নাটখনৰ নাম কি ?

(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰথম নাটখনৰ নাম কি ?

(চ) মূলাগাভৰুৰ গিৰিহঁতৰ নাম কি আছিল ?

(ছ) কামেশ্বৰ সিংহৰ পুতেকৰ নাম কি আছিল ?

২। চমুকৈ উত্তৰ দিয়া : ২×৪=৮

(ক) পদ্মনাথ গোহাঞি বৰুৱাই ৰচনা কৰা দুখন প্ৰহসনৰ নাম লিখা।

(খ) 'ৰূপালীম' নাটকত প্ৰভাৱ পৰা বিদেশী নাট্যকাৰ আৰু নাটকখনৰ নাম কি?

(গ) ফুলকুমাৰী কোন আছিল? তেওঁ মণিৰাম দেৱানক কি ধৰণে সহায় কৰিছিল?

(ঘ) চুতেং আৰু জাতিলাও কোন আছিল?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) ছেক্সপীয়েৰীয় নাট্যৰীতিৰ বৈশিষ্ট্যসমূহ কি কি?

(খ) এবছাৰ্দধৰ্মী নাটকৰ সাধাৰণ লক্ষণসমূহ কি কি?

(গ) ৰূপালীমৰ মৃত্যুৰ বাবে ইতিভেন নামৰ চৰিত্ৰটি কিমান পৰিমাণে জগৰীয়া?

(ঘ) বাহাদুৰ গাঁওবুঢ়াৰ পূৰ্বপুৰুষসকল ক'ৰ আছিল আৰু তেওঁলোকৰ পৰিয়ালক কি নামেৰে জনা গৈছিল?

(ঙ) দিহিঙীয়া ৰজাৰ আন এটা নাম কি আছিল? তেওঁৰ ৰাজত্বকালত কোন বিদেশীয়ে আহোম ৰাজ্য আক্ৰমণ কৰিছিল?

৪। (ক) আধুনিক অসমীয়া নাট্যসাহিত্যলৈ গুণাভিৰাম বৰুৱাৰ অবদানৰ সন্দৰ্ভত এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) বুৰঞ্জীমূলক নাটকৰ বৈশিষ্ট্যসমূহ আলোচনা কৰি নাট্যকাৰৰ সীমাবদ্ধতা সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

৫। (ক) কাল্পনিক নাটক হিচাপে 'ৰূপালীম' নাটকৰ এটি চমু পৰিচয় দাঙি ধৰা। ১০

*অথবা*

(খ) 'ৰূপালীম' নাটকৰ মণিমুগ্ধ আৰু মায়াৰ চৰিত্ৰ দুটিৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

৬। (ক) ঐতিহাসিক নাটক হিচাপে 'মণিৰাম দেৱান' নাটকৰ বৈশিষ্ট্যসমূহ আলোচনা কৰি নায়ক চৰিত্ৰটিৰ চাৰিত্ৰিক গাম্ভীৰ্য কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'হেংদাং' নাটকৰ মাজেৰে অসমীয়া নাৰীৰ গৌৰৱ আৰু বীৰত্ব কেনেদৰে ঘোষিত হৈছে, আলোচনা কৰা।

★★★